L.T.K. College, Azad
Estd.-1977
North Lakhimpur

# সংবিধান

## ছাত্র একতা সভা

## লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

## প্ৰস্তাৱনা (Preamble)

এল,টি,কে, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সকলো সদস্যই প্ৰস্তাৱ গ্ৰহণ কৰা হওক যে, আমি আমাৰ ছাত্ৰ সমাজৰ সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক দিশত উন্নতি সাধন কৰাৰ লগতে মহাবিদ্যালয়ৰ সকলো প্ৰকাৰ প্ৰগতিত সহায় কৰিম বুলি মহাবিদ্যালয়ৰ পতাকাৰ তলত প্ৰতিজ্ঞাবদ্ধ হৈছোঁ। এই ছাত্ৰ একতা সভাৰ যোগেদি সকলো সদস্যৰ মাজত একতা আৰু বন্ধুত্বভাৱ প্ৰকাশ কৰা, শিক্ষাৰ ক্ষেত্ৰত এক সবল আৰু সুস্থ পৰিৱেশ সৃষ্টি কৰাৰ লগতে সদস্যসকলৰ শাৰীৰিক, মানসিক, আধ্যাত্মিক আদি গুণবোৰৰ বিকাশ সাধন কৰি জাতীয় চেতনাবোধ আৰু স্বদেশপ্ৰেমৰ ভাৱেৰে উদ্বুদ্ধ কৰি মুক্ত ভাৰতৰ সুনাগৰিক হিচাপে গঢ়ি তোলা।

### অনুচ্ছেদ-১

| | | |
|---|---|---|
| নাম | ঃ | লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।<br>সংক্ষেপ-এল,টি,কে, মহাবিদ্যালয় |
| ঠিকনা | ঃ | লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় |
| ডাক | ঃ | আজাদ |
| জিলা | ঃ | লক্ষীমপুৰ |
| পিন | ঃ | ৭৮৭০৩১ (অসম) |

L.T.K. College, Azad
Estd.-1977
North Lakhimpur

# অনুচ্ছেদ-২

## লক্ষ্য আৰু উদ্দেশ্য (aims & objectives) ঃ

১। এল,টি, কে, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল, সদস্যসকলৰ মাজত শাৰীৰিক, মানসিক, শৈক্ষিক, বৌদ্ধিক, নৈতিক, আধ্যাত্মিক, সাংস্কৃতিক দিশত উন্নতি সাধন কৰা।

২। ছাত্ৰ-ছাত্ৰীসকলক ৰাষ্ট্ৰৰ সুনাগৰিক হিচাপে গঢ় দিয়াৰ উদ্দেশ্যে তেওঁলোকক সৎ চৰিত্ৰবান, দেশপ্ৰেমিক, ত্যাগী আৰু কষ্টসহিষ্ণু হ'বলৈ উৎসাহিত কৰা।

৩। বৰ্তমান সময়ত আমাৰ সমাজত চলি থকা কু-সংস্কাৰ আৰু অন্ধবিশ্বাসসমূহ দূৰ কৰি বিজ্ঞানসন্মত সুস্থ সমাজ ব্যৱস্থা গঢ়ি তোলাৰ উদ্দেশ্যে ভৱিষ্যতৰ নাগৰিক ছাত্ৰ-ছাত্ৰীসকলক সজাগ কৰা।

৪। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বন্ধুত্ব, ভাতৃত্ববোধ আৰু পাৰস্পৰিক বুজাপৰা বৃদ্ধি কৰাৰ লগতে তেওঁলোকক সামাজিক নেতৃত্ব, সহযোগিতা, শৃংখলাবদ্ধতা আৰু নিয়মানুৱৰ্তিতাৰ শিক্ষা দিয়া।

৫। সাহিত্য, সংগীত, কলা-সংস্কৃতি চৰ্চাৰ জৰিয়তে তেওঁলোকক জাতীয় সংহতি সুদৃঢ় কৰিবলৈ অনুপ্ৰেৰণা দিয়া।

৬। শ্ৰমৰ মৰ্যাদা আৰু গুৰুত্বৰ বিষয়ে শিক্ষা দিয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক সমাজসেৱাৰ প্ৰতি অনুপ্ৰাণিত কৰা।

৭। সভা-সমিতি অনুষ্ঠিত কৰি নেতৃত্বৰ জ্ঞান আহৰণ কৰাৰ লগতে শৈক্ষিক আৰু সাংস্কৃতিক দিশৰ বিভিন্ন বিষয়ৰ ওপৰত প্ৰতিযোগিতা, আলোচনা চক্ৰ আৰু প্ৰদৰ্শনী আদিৰ ব্যৱস্থা কৰা।

৮। ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক উৎকৰ্ষ সাধনৰ কাৰণে বিভিন্ন ক্ৰীড়াৰ অনুশীলন আৰু প্ৰতিযোগিতা আয়োজন কৰা।

৯। বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় মহোৎসৱত যোগদান কৰাৰ লগতে এই মহাবিদ্যালয়তো তেনে মহোৎসৱ অনুষ্ঠিত কৰিবলৈ প্ৰচেষ্টা চলোৱা।

১০। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক দলীয় ৰাজনীতিৰ পৰা মুক্ত ৰাখি শিক্ষানুষ্ঠানটিৰ সুস্থ পৰিৱেশ আৰু পবিত্ৰতা অক্ষুণ্ণ ৰখা।

১১। ৰেগিং মুক্ত এক সুস্থ শৈক্ষিক বাতাবৰণ সৃষ্টি কৰা।

১২। মহাবিদ্যালয়ত এক প্ৰাকৃতিক পৰিৱেশ সৃষ্টি কৰা আৰু মহাবিদ্যালয়খন সেউজ কৰি ৰখাৰ লগতে পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখা।

L.T.K. College, Azad
Estd.-1977
North Lakhimpur

## অনুচ্ছেদ-৩

সদস্যপদ ঃ

১। মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী হিচাপে নামভৰ্ত্তি কৰা সকলো ছাত্ৰ-ছাত্ৰীয়ে এই ছাত্ৰ একতা সভাৰ সদস্য হোৱাতো বাধ্যতামূলক।

২। মহাবিদ্যালয়ৰ অধ্যক্ষ ছাত্ৰ একতা সভাৰ মুখ্য উপদেষ্টা হ'ব।

৩। সকলো নিয়মীয়া শিক্ষক-শিক্ষয়িত্ৰীৰ মাজৰ পৰা বিভাগীয় তত্বাৱধায়কসকলক অধ্যক্ষই মনোনীত কৰিব।

৪। কোনো বিষয়ববীয়া বা ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ একতা সভাৰ সংবিধান উলংঘন কৰিলে অধ্যক্ষই তেনে ছাত্ৰ-ছাত্ৰীৰ সদস্যপদ বাতিল কৰিব পাৰিব আৰু মহাবিদ্যালয়ৰ পৰা বহিষ্কৃত হ'লেও সদস্যপদ বাতিল হ'ব।

## অনুচ্ছেদ-৪
## একতা সভাৰ কাৰ্যকৰী সদস্য গোট
## (Union Executive Committee)

ক) ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ সকলো কাম-কাজ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সমিতি, মহাবদ্যিালয়ৰ অধ্যক্ষ আৰু বিভাগীয় তত্বাৱধায়কৰ পৰামৰ্শ অনুসৰি কাৰ্য কৰিব লাগিব।

খ) ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সমিতি তলত উল্লিখিত সদস্যসকলৰ দ্বাৰা গঠিত হ'ব।

১। সভাপতি (Present)
২। উপ-সভাপতি (Vice-Present)
৩। সাধাৰণ সম্পাদক (General Secretary)
৪। সহকাৰী সাধাৰণ সম্পাদক (Assistant General Secretary)
৫। গুৰুক্ৰীড়া বিভাগৰ সম্পাদক (Major Games Secretary)
৬। লঘুক্ৰীড়া বিভাগৰ সম্পাদক (Minor Games Secretary)

L.T.K. College, Azad
Estd.-1977
North Lakhimpur

৭। সংগীত আৰু সাংস্কৃতিক সম্পাদক (Music and Cultural Secretary)

৮। সমাজসেৱা বিভাগৰ সম্পাদক (Social Service Secretary)

৯। তর্ক আৰু আলোচনা চক্র সম্পাদক (Debating & Symposium Secretary)

১০। সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদক (Literary & Magazine Secretary)

১১। ছাত্র জিৰণী কোঠা বিভাগৰ সম্পাদক (Boys' Common Room Secretary)

১২। ছাত্রী জিৰণী কোঠা বিভাগৰ সম্পাদক (Girls' Common Room Secretary)

১৩। শ্রেণী প্রতিনিধি (উচ্চতৰ মাধ্যমিক শ্রেণীৰ পৰা এজন আৰু তিনিটা স্নাতক শ্রেণীৰ পৰা তিনিজন) (Class Representative)

## অনুচ্ছেদ-৫
## দায়িত্ব আৰু কার্যাৱলী

সভাপতি : সভাপতিয়ে কার্যকৰী সভা পৰিচালনা কৰিব আৰু সাধাৰণ সম্পাদক আৰু অন্যান্য সম্পাদকসকলক পৰামর্শ দিব।

উপ-সভাপতি : সভাপতিৰ অনুপস্থিতিত উপ-সভাপতিয়ে সভাপতিৰ সকলো দায়িত্ব পালন কৰিব আৰু কোনো কাৰণত সভাপতিৰ পদ বাতিল হ'লে অধ্যক্ষৰ অনুমতি সাপেক্ষে তেওঁ সভাপতিৰ কার্যভাৰ গ্রহণ কৰিব পাৰিব।

সাধাৰণ সম্পাদক :

১। সাধাৰণ সম্পাদকে সকলো বিভাগৰ সম্পাদকসকলৰ কাম-কাজ চোৱাচিতা কৰিব আৰু পৰামর্শ দিব আৰু বিভিন্ন বিভাগৰ মাজত সমন্বয় ৰক্ষা কৰিব।

২। সাধাৰণ সম্পাদকে ছাত্র একতা সভাৰ কার্যকৰী সভা আৰু সাধাৰণ সভা আহ্বান কৰিব পাৰিব। কিন্তু সকলো সভা আহ্বান কৰাৰ আগতে অধ্যক্ষৰ পৰা লিখিত অনুমতি ল'ব লাগিব।

Azad
Estd.-1977
North Lakhimpur

৩। সাধাৰণ সম্পাদকে কাৰ্য বিৱৰণীকে ধৰি অন্যান্য নথি-পত্ৰ আৰু জমা খৰচৰ হিচাপ ৰাখিব আৰু পিছৰ বছৰৰ নতুন কাৰ্যকৰী সমিতি গঠন হোৱাৰ লগে লগে নতুন সমিতিক বাৰ্ষিক প্ৰতিবেদনসহ সকলো দায়িত্ব অৰ্পন কৰিব লাগিব।

সহকাৰী সাধাৰণ সম্পাদক ঃ

১। সহকাৰী সাধাৰণ সম্পাদকে সাধাৰণ সম্পাদকক সকলো ক্ষেত্ৰতে সহায় কৰিব আৰু সাধাৰণ সম্পাদকৰ অনুপস্থিতিত তেওঁৰ দায়িত্ব পালন কৰিব।

২। যদি কিবা কাৰণত সাধাৰণ সম্পাদকজন বৰ্খাস্ত হয় তেন্তে সহকাৰী সাধাৰণ সম্পাদকজন অধ্যক্ষৰ অনুমতি সাপেক্ষে সাধাৰণ সম্পাদক হিচাপে কাম চলাব লাগিব।

বিভাগীয় সম্পাদক ঃ

১। বিভাগীয় সম্পাদকসকলে নিজ নিজ বিভাগৰ দায়িত্ব পালন কৰিব আৰু যাৱতীয় নথি-পত্ৰসমূহ সযতনে ৰাখিব।

২। বিভাগীয় সম্পাদকসকলে নিজ নিজ বিভাগৰ বাবে বছৰেকীয়া বাজেট প্ৰস্তুত কৰিব আৰু বিভাগীয় তত্বাৱধায়কৰ লগত আলোচনা কৰি তত্বাৱধায়ক সন্মতিসূচক স্বাক্ষৰেৰে সেই বাজেট অধ্যক্ষই সভাপতিত্ব কৰা তত্বাৱধায়ক আৰু সদস্যৰ উপস্থিতিত অনুষ্ঠিত হোৱা যুটীয়া সভাত দাখিল কৰিব লাগিব।

৩। নিজ নিজ বিভাগত হোৱা খৰচ আৰু খৰচৰ হিচাপৰ বাবে বিভাগীয় সম্পাদকসকল সম্পূৰ্ণ দায়বদ্ধ থাকিব আৰু তত্বাৱধায়কসকলক হিচাপৰ খতিয়ান সম্পূৰ্ণৰূপে দিব লাগিব। লগতে তত্বাৱধায়কসকলে মহাবিদ্যালয়ৰ অধ্যক্ষক এই হিচাপৰ খতিয়ান জমা দিব লাগিব।

শ্ৰেণী প্ৰতিনিধি ঃ

১। উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ শ্ৰেণী প্ৰতিনিধিজনক আৰু স্নাতক শ্ৰেণীৰ শ্ৰেণী প্ৰতিনিধিজনক মহাবিদ্যালয়ৰ অধ্যক্ষই মনোনীত কৰিব।

২। শ্ৰেণী প্ৰতিনিধিজনে কাৰ্যকৰী বৈঠকত শ্ৰেণীৰ অভাৱ-অভিযোগসমূহ দাখিল কৰিব পাৰিব।

৩। শ্ৰেণী প্ৰতিনিধিজনৰ ক্ষেত্ৰত ছাত্ৰ একতা সভাৰ সদস্যসকলে লাভ কৰা সুবিধাসমূহ প্ৰযোজ্য নহ'ব।

L.T.K. College, Azad
Estd.-1977
North Lakhimpur

## অনুচ্ছেদ-৬

## উপদেষ্টা

১। প্রতি বিভাগৰ সম্পাদকৰ কাম-কাজৰ পৰামৰ্শ দিবৰ বাবে একোজনকৈ শিক্ষক তত্ত্বাৱধায়ক থাকিব। এই তত্ত্বাৱধায়কসকলক নতুন ছাত্ৰ একতা সভাৰ প্ৰথম বৈঠকত অধ্যক্ষই মনোনীত কৰিব লাগিব।

২। তত্ত্বাৱধায়কসকলে নিজ নিজ বিভাগৰ সম্পাদকসকলৰ সকলো কামতে চকু দিব লাগিব আৰু সজ পৰামৰ্শ আৰু সহযোগিতাৰে সম্পাদকসকলক কাম-কাজ পৰিচালনা কৰাত সহায় কৰিব লাগিব।

৩। বিভাগীয় খৰচৰ সকলো খৰচৰ খতিয়ানত বিভাগীয় তত্ত্বাৱধায়কসকলে স্বাক্ষৰ কৰাৰ পাছতহে গ্ৰহণযোগ্য হ'ব।

৪। মহাবিদ্যালয়ৰ অধ্যক্ষই মহাবিদ্যালয়ত উৎসৱ-পাৰ্বন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত এগৰাকী বা দুগৰাকী অধ্যাপক-অধ্যাপিকাক উৎসৱ-পাৰ্বন শাখাৰ তত্ত্বাৱধায়ক হিচাপে মনোনীত কৰিব পাৰিব।

## অনুচ্ছেদ-৭

১। সাধাৰণ সভা ঃ

ক) মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলক লৈ সাধাৰণ সভা অনুষ্ঠিত হ'ব আৰু উক্ত সাধাৰণ সভাত মহাবিদ্যালয়ৰ অধ্যক্ষই সভাপতিত্ব কৰিব।

খ) মহাবিদ্যালয়ৰ বিভিন্ন দিশৰ আলোচনাৰ বাবে অধ্যক্ষৰ সভাপতিত্বত ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক আৰু ছাত্ৰ একতা সভাৰ সদস্যসকলৰ যুটীয়া বৈঠক অনুষ্ঠিত হ'ব।

২। কাৰ্যকৰী সভা ঃ

১। নিৰ্বাচিত সভাপতি, উপ-সভাপতি, সাধাৰণ সম্পাদক, সহকাৰী সাধাৰণ সম্পাদক, বিভাগীয় সম্পাদকসকল আৰু শ্ৰেণী প্ৰতিনিধিৰে কাৰ্যকৰী সমিতি গঠন হ'ব। সাধাৰণ সম্পাদকে অধ্যক্ষৰ লিখিত অনুমতি সাপেক্ষে কাৰ্যকৰী সভা আহ্বান কৰিব পাৰিব। সভাপতি বা তেওঁৰ অনুপস্থিতিত উপ-সভাপতিয়ে কাৰ্যকৰী সভা পৰিচালনা কৰিব।

K. College, Azad
Estd.-1977
h Lakhimpur

২। কাৰ্যকৰী সভা অথবা সাধাৰণ সভা কমপক্ষেও এদিনৰ আগতীয়া জাননীত অনুষ্ঠিত কৰিব পাৰিব। প্ৰয়োজন সাপেক্ষে জৰুৰী কাৰ্যকৰী সভা দুই ঘণ্টাৰ জাননীত আহ্বান কৰিব পাৰিব। ছাত্ৰ একতা সভাৰ কাৰ্যকালত ন্যূনতম তিনিখন কাৰ্যকৰী সভা হোৱাতো বাঞ্ছনীয়।

৩। সাধাৰণ সভা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভা স্থুল আৰু বৈধ বুলি গণ্য কৰা হ'ব আৰু তেনে সভাহে অনুষ্ঠিত হ'ব পাৰিব। কিন্তু এবাৰ স্থগিত হোৱা সভা পুনৰ অনুষ্ঠিত হ'লে স্থুলৰ কোনো প্ৰয়োজন নহয়।

৪। ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাৰ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ অতি কমেও দুই তৃতীয়াংশ সদস্য উপস্থিত থাকিব লাগিব। তেতিয়াহে সেই সভাৰ সিদ্ধান্ত বৈধ বুলি গণ্য কৰা হ'ব।

৫। কাৰ্যকৰী সভাৰ কোনো সদস্যৰ পদ খালী হ'লে অধ্যক্ষই কোনোবা এগৰাকী সদস্যক অতিৰিক্ত দায়িত্ব প্ৰদান কৰিব পাৰিব বা ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰাও সদস্যপদৰ বাবে মনোনীত কৰিব পাৰিব। এইক্ষেত্ৰত অধ্যক্ষৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব। কিন্তু পৰাজিত প্ৰাৰ্থী বা মনোনয়ন নাকচ হোৱা কোনো প্ৰাৰ্থীক মনোনীত কৰিব নোৱাৰিব।

## অনুচ্ছেদ-৮
## সাধাৰণ নিৰ্বাচন

১। সাধাৰণতে ছাত্ৰ একতা সভাৰ কাৰ্যকৰী গোটৰ কাৰ্যকাল এটা শিক্ষা বছৰ। প্ৰতি শিক্ষাবৰ্ষ আৰম্ভ হোৱাৰ তিনিমাহৰ ভিতৰত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব।

২। নিৰ্বাচন পৰিচালনাৰ বাবে অধ্যক্ষই প্ৰতিবছৰে অধ্যাপক-অধ্যাপিকাৰ মাজৰ পৰা এজন প্ৰাধিকাৰী বিষয়া আৰু তিনিজন নিৰ্বাচনী বিষয়া, দুজন ছাত্ৰ প্ৰতিনিধিৰে এখন নিৰ্বাচন পৰিচালনা সমিতি গঠন কৰিব। পূৰ্ববৰ্ষৰ প্ৰাধিকাৰী বিষয়াজন পৰৱৰ্তী বৰ্ষৰ পদেন সদস্য হৈ থাকিব।

৩। প্ৰাধিকাৰী বিষয়াই নিৰ্বাচন অনুষ্ঠিত কৰাৰ জাননী নিৰ্বাচন অনুষ্ঠিত হোৱাৰ দিনৰ পৰা কমেও পোন্ধৰ দিন আগতে জাৰি কৰিব লাগিব আৰু সমস্ত নিৰ্বাচনী প্ৰক্ৰিয়া দহ কৰ্মদিনৰ ভিতৰত সম্পন্ন হ'ব লাগিব।

L. T. K. College, Azad
Estd.-1977
North Lakhimpur

৪। ছাত্র একতা সভাৰ বিষয়ববীয়াসকলক সাধাৰণ সদস্যসকলে অহস্তান্তৰযোগ্য গোপন ভোটৰ দ্বাৰা নিৰ্বাচিত কৰিব।

৫। নিৰ্বাচন পৰিচালনা কৰাৰ ক্ষেত্ৰত হোৱা সমুদায় অৰ্থৰ হিচাপ প্ৰাধিকাৰী বিষয়াই নিৰ্বাচন শেষ হোৱাৰ দিনৰ পৰা পোন্ধৰ দিনৰ ভিতৰত অধ্যক্ষ ওচৰত দাখিল কৰিব লাগিব।

৬। নিৰ্বাচন পৰিচালনা কৰাৰ ক্ষেত্ৰত হোৱা সকলো খৰচ ছাত্ৰ একতা সভা পুঁজিৰ পৰা বহন কৰা হ'ব।

৭। নিৰ্বাচনৰ ফলাফলৰ ক্ষেত্ৰত কোনো প্ৰাৰ্থীৰ ওজৰ-আপত্তি থাকিলে নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ দুঘণ্টাৰ ভিতৰত তেনে প্ৰাৰ্থীয়ে ১০০০.০০ (এক হাজাৰ) টকা আমানত ধন জমা দি ব্যক্তিগতভাৱে প্ৰাধিকাৰী বিষয়াৰ ওচৰত লিখিত আবেদন জমা দিব লাগিব।

৮। দহটা বা ততোধিক ভোটৰ ব্যৱধান থকা ফলাফলৰ বাবে ভোট গণনাৰ আবেদন গ্ৰহণ কৰা নহ'ব।

৯। নিৰ্বাচনৰ প্ৰাৰ্থীৰ বাদে আন কাৰো আবেদন গ্ৰহণ কৰা নহ'ব।

১০। নিৰ্বাচন সম্পৰ্কীয় সকলো গোচৰ মীমাংসাৰ ক্ষেত্ৰত নিৰ্বাচন পৰিচালন সমিতিৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

১১। নিৰ্বাচন বা নিৰ্বাচনৰ ফলাফলৰ ক্ষেত্ৰত কোনো ছাত্ৰ-ছাত্ৰীয়ে অযথ বেমেজালিৰ সৃষ্টি কৰিলে প্ৰাধিকাৰী বিষয়াই অনুশাসনমূলক ব্যৱস্থা গ্ৰহণৰ বাবে অধ্যক্ষলৈ চুপাৰিশ কৰিব পাৰিব আৰু অধ্যক্ষই উচিত বিবেচনা কৰিলে শাস্তি প্ৰদান কৰিব পাৰিব।

১২। যিজন প্ৰাৰ্থীয়ে নিজৰ বিভাগত আটাইতকৈ বেছি ভোট পাব তেওঁকেই নিৰ্বাচিত বুলি ঘোষণা কৰা হ'ব আৰু যদি একেটা বিভাগত দুজন প্ৰাৰ্থীয়ে সমান সমান ভোট পায়, তেন্তে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বেছি নম্বৰ পোৱা ছাত্ৰ বা ছাত্ৰীগৰাকীকে বিজয়ী বুলি ঘোষণা কৰা হ'ব।

১৩। নিৰ্বাচনৰ ব্যয়ৰ খতিয়ান ভোগ গ্ৰহণৰ পৰা সাতদিনৰ ভিতৰত জমা দিব লাগিব।

L. T. K. College, Azad
Estd.-1977
North Lakhimpur

## অনুচ্ছেদ-৯

ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত তলৰ বিধি আৰু স্বৰ্তসমূহৰ যোগ্যতা থকা ছাত্ৰ-ছাত্ৰীয়েহে প্ৰাৰ্থী হ'ব পাৰিব।

ক) প্ৰাৰ্থীজন মহাবিদ্যালয়ৰ নিয়মীয়া পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰী হ'ব লাগিব।

খ) প্ৰতিটো বিষয়ত শ্ৰেণীত উপস্থিতিৰ হাৰ ৭৫% তকৈ কম হ'ব নোৱাৰিব।

গ) প্ৰাৰ্থীজন হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা দিনৰ পৰা নিয়মীয়াকৈ উত্তীৰ্ণ হ'ব লাগিব। যিকোনো কাৰণতে যদি ছাত্ৰ বা ছাত্ৰীগৰাকীয়ে পাঠ্যক্ৰম অব্যাহত নাৰাখে তেনে প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিব।

ঘ) প্ৰাৰ্থীজন যদি পূৰ্বৰ কোনো অপৰাধজনিত কাৰ্যৰ লগত জড়িত থাকে, তেনে প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিব।

ঙ) কোনো শিক্ষানুষ্ঠানৰ পৰা বহিষ্কৃত ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচনত প্ৰাৰ্থিত্ব আগবঢ়াব নোৱাৰিব।

চ) ছাত্ৰ একতা সভাৰ প্ৰাৰ্থীজন স্নাতক প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰী হ'ব লাগিব।

ছ) ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক পদৰ বাবে ছাত্ৰ আৰু ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা পদৰ বাবে কেৱল ছাত্ৰী সদস্যাইহে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব পাৰিব।

## ঃ নিৰ্বাচনৰ নিয়মাৱলী ঃ

ক) প্ৰতিখন মনোনয়ন পত্ৰৰ মূল্য, আমানত ধন নিৰ্বাচন পৰিচালনা সমিতিয়ে নিৰ্ধাৰণ কৰিব।

খ) এজন প্ৰাৰ্থীয়ে ইচ্ছা কৰিলে নিৰ্ধাৰিত মাচুলসহ তিনিখনকৈ মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব।

গ) মনোনয়ন পত্ৰ জমা দিওঁতে প্ৰাৰ্থীজনে নিজৰ লগতে প্ৰস্তাৱক আৰু সমৰ্থকৰ মহাবিদ্যালয়ৰ বছৰেকীয়া মাচুল জমা দিয়াৰ ৰচিদ তিনিখন জমা দিব লাগিব।

ঘ) মনোনয়ন পত্ৰ নাকচ হোৱা প্ৰাৰ্থীসকলে আমানতৰ ধন ঘূৰাই নাপাব।

ঙ) প্ৰতিটো পদৰ বিজয়ী প্ৰাৰ্থীয়ে লাভ কৰা ভোটৰ এক তৃতীয়াংশতকৈ কম ভোট পোৱা একে পদৰ প্ৰাৰ্থীসকলৰ আমানত ধন বাজেয়াপ্ত হ'ব।

L.T.K. College, Azad
Estd.-1977
North Lakhimpur.

চ) নির্বাচনী প্ৰচাৰৰ বাবে কোনো প্ৰাৰ্থীয়ে মহাবিদ্যালয়ৰ চৌহদত বেনাৰ ব
পোষ্টাৰ আঁকিব নোৱাৰিব।

ছ) প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰত তেওঁৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰমাণপত্ৰত
থকা নাম আৰু উপাধিহে ব্যৱহাৰ কৰিব পাৰিব।

জ) প্ৰাধিকাৰী বিষয়াৰ অনুমোদন অবিহনে কোনো প্ৰাৰ্থীয়ে নিৰ্বাচনী প্ৰচাৰৰ
বাবে কোনো ধৰণৰ প্ৰচাৰ পত্ৰ বিতৰণ কৰিব নোৱাৰিব। লগতে কোনে
ছপা প্ৰচাৰ পত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব।

ঝ) পাঠদান চলি থকা অৱস্থাত শ্ৰেণীত নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব
তাৰ পৰিৱৰ্তে নিৰ্বাচন পৰিচালনা সমিতিয়ে আয়োজন কৰি দিয়া 'মঞ্চপ্ৰচাৰ
অনুষ্ঠানৰ দ্বাৰা প্ৰাৰ্থীসকলে ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত তেওঁলোকৰ প্ৰচাৰ
চলাব পাৰিব। নিৰ্বাচন সমিতিয়ে মঞ্চপ্ৰচাৰৰ নীতি-নিয়ম নিৰ্ধাৰণ কৰিব

ঞ) কোনো প্ৰাৰ্থীয়ে ৫০০০.০০ (পাঁচ হাজাৰ) টকাতকৈ বেছি নিৰ্বাচনী ব্যয়
কৰিব নোৱাৰিব।

ট) নিৰ্বাচন সংক্ৰান্তিয় যিকোনো ওজৰ-আপত্তি নিষ্পত্তি কৰিবলৈ এটি
'অভিযোগ নিষ্পত্তি কোষ' থাকিব। এই কোষত থাকিব দুজন অধ্যাপক
দুজন নিৰপেক্ষ ছাত্ৰ, প্ৰাধিকাৰীবিষয়া আৰু অধ্যক্ষ।

ঠ) নিৰ্বাচনৰ খৰচৰ পৰিমাণ প্ৰাৰ্থীসকলে প্ৰাধিকাৰী বিষয়াৰ হাতত এসপ্তাহৰ
ভিতৰত জমা দিব লাগিব।

ড) প্ৰয়োজন সাপেক্ষে অধ্যক্ষই এগৰাকী নিৰীক্ষক নিয়োগ কৰিব।

## অনুচ্ছেদ-১০
## পুঁজি

১। ছাত্ৰ একতা সভাৰ বাবে লাগতিয়াল পুঁজি সদস্যসকলৰ ফিজৰ পৰা সংগ্ৰহ
কৰা হ'ব আৰু এই সংগৃহীত ধনৰ পৰিসীমাৰ ভিতৰতেই ছাত্ৰ একতা
সভাই খৰচ কৰিব লাগিব।

২। ছাত্ৰ একতা সভাই দায়িত্বভাৰ লোৱা সভাতেই তেওঁলোকৰ বাবে আবণ্টিত
ধনৰ পৰিমাণ অধ্যক্ষই জনাব।

৩। সাধাৰণ সম্পাদক আৰু বিভাগীয় সম্পাদকসকলে খৰচ কৰিবৰ বাবে
অধ্যক্ষৰ তত্বাৱধানত পৃথক পৃথকভাৱে প্ৰতি বিভাগৰ একোটাকৈ পুঁজি
থাকিব।

৪। কোনো ব্যক্তি বা অনুষ্ঠানে আগবঢ়োৱা দান, বৰঙণি, অনুদান অধ্যক্ষৰ অনুমোদন সাপেক্ষে গ্ৰহণ কৰিব পাৰিব।

৫। ছাত্ৰ একতা সভাৰ বাবে ছাত্ৰ একতা সভাৰ নামত ডাকঘৰ নাইবা অন্য বেংকত একাউণ্ট থাকিব লাগিব আৰু উক্ত একাউণ্টত ছাত্ৰ একতা সভাৰ পুঁজি জমা হ'ব।

৬। ছাত্ৰ একতা সভাৰ পুঁজি পৰিচালনাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষই পুঁজি পৰিচালনা কৰিব।

৭। সাধাৰণ অৱস্থাত সকলো সম্পাদকে নিজ নিজ বিভাগৰ বাবে কৰিব লগা খৰচৰ বাজেট যুটীয়া বৈঠকত অনুমোদন কৰোৱাৰ পাছতহে সেই ধন উপদেষ্টাৰ জৰিয়তে সংগ্ৰহ কৰিব লাগিব। অৱশ্যে জৰুৰী অৱস্থাত অধ্যক্ষই সিদ্ধান্ত ল'ব।। কিন্তু পৰৱৰ্তী যুটীয়া বৈঠকে তত্বাৱধায়কৰ এনে খৰচৰ অনুমোদন দিব লাগিব।

## অনুচ্ছেদ-১১
## সংবিধান সংশোধন

সংবিধানৰ কোনো অনুচ্ছেদ, অংশবিশেষ অথবা সম্পূৰ্ণ সংশোধনীৰ প্ৰয়োজন হ'লে সাধাৰণ সভাৰ পঞ্চাশ শতাংশ সাধাৰণ সদস্যই উক্ত বিষয়ে ছাত্ৰ একতা সভাৰ সভাপতি/সম্পাদকলৈ লিখিত আৱেদন জনাব আৰু বিষয়টো কাৰ্যকৰী সভাত আলোচনা কৰি সভাৰ সিদ্ধান্তমৰ্মে সভাই মনোনীত কৰা দুগৰাকী উপদেষ্টাক সংবিধানৰ কোনো অনুচ্ছেদ অথবা অংশ বিশেষ অথবা সম্পূৰ্ণ সংশোধনৰ দায়িত্ব অৰ্পন কৰিব। তদুপৰি ন্যায়ালয় বা চৰকাৰৰ সিদ্ধান্তমৰ্মে বা অপৰিহাৰ্য পৰিস্থিতিত অধ্যক্ষই সংবিধানৰ কোনো দফা বা সংবিধান সংশোধন কৰিব পাৰিব। পৰৱৰ্তী সভাত তাৰ অনুমোদন ল'ব।

স্বাক্ষৰ

(ড° বুবুল কুমাৰ শইকীয়া)
অধ্যক্ষ, এল.টি. কে. মহাবিদ্যালয়
আজাদ, উত্তৰ লক্ষীমপুৰ

Principal
L.T.K. College, Azad
North Lakhimpur